**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 6-09-2026 **Time :** 0755 Hrs.

***<u>Assamese Morning Bulletin</u>***

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি পুৱা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হ'ব। ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এলানি শৈক্ষিক, সাংস্কৃতিক আৰু ৰাজহুৱা অনুষ্ঠানত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকী গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে বিমান বন্দৰৰ পৰা পোনে পোনে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰলৈ ৰাওনা হ'ব। বিয়লি শ্ৰী ৰাধাকৃষ্ণণে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকী কাইলৈ পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৰৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰোহিত তথা দৃষ্টিৰোহিত শিক্ষাৰ্থীৰ বাবে থকা ডত্ৰিঞ পʼলো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০০০

ৰাজ্যজুৰি অসম আৰক্ষীয়ে কালি পুৱাৰে পৰা চলোৱা অভিযানত মুঠ ৩৩০ জন প্ৰৱঞ্চকক আটক কৰে। কাজিৰঙাত অনুষ্ঠিত আৰক্ষী অধীক্ষকৰ সন্মিলনৰ পাছতে অসম আৰক্ষীয়ে প্ৰৱঞ্চকৰ বিৰুদ্ধে এই অভিযান চলায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি ৰাজ্যৰ ২৯ খন জিলাত এই অভিযান চলোৱা হয়। এই অভিযানকালত আৰক্ষীৰ সৈতে যোগাযোগ কৰি গোচৰ মীমাংসা কৰা দালালকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নকল আৰু চুৰি সামগ্ৰী বিক্ৰী কৰা প্ৰৱঞ্চকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে আৰক্ষীৰ পৰিচয় দি সাধাৰণ লোকক প্ৰৱঞ্চনা কৰা লোকৰ বিৰুদ্ধেও আৰক্ষীয়ে অভিযান চলায়। আৰক্ষীয়ে অভিযান কালত লখিমপুৰত ১৫ জন, গুৱাহাটীত ২ জন, কামৰূপত ৩৩ জন, বঙাইগাঁৱত ১২ জন, মৰিগাঁও আৰু ধুবুৰীত ৭ জনকৈ, গোৱালপাৰাত ৫ জন, বজালী, তামাৰহাটত ৪ জনকৈ, শিৱসাগৰ আৰু গোলাঘাটত দুজন, তিনিচুকীয়াত ১৫

জন, কাচাৰত ৩৯ জন, দৰঙত ১৮ জন, কোকৰাঝাৰত ২০ জন, হোজাইত ১৬ জুন, নগাঁৱত ১১ জন, বৰপেটাত ২৬ জনকৈ লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সঞ্চালক প্ৰধান হৰমীত সিঙে প্ৰকাশ কৰা মতে একাংশই অসমৰ বাহিৰত থাকিও ৰাজ্যত প্ৰৱঞ্চনাৰ জাল মেলি আহিছে। আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে প্ৰৱঞ্চকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান অব্যাহত ৰখাৰ কথাও প্ৰকাশ কৰিছে।

০০০০০০০

অহা বছৰৰ পৰা কৃতি শিক্ষক বাচনি প্ৰক্ৰিয়া সলনি কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত আয়োজিত শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যিক পৰ্যায়ৰ শিক্ষক বাচনিৰ বাবে এতিয়াৰে পৰা জিলা আয়ুক্তৰ অনুমোদনৰ প্ৰয়োজন হ'ব। তেওঁ কয়, যে বঁটাৰ বাবে আবেদন কৰা শিক্ষকে পাঠদানৰ বাণীবদ্ধ ৰূপো দাখিল কৰিব লাগিব। অহা শিক্ষাবৰ্ষৰ পৰা এই প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। অনুষ্ঠানত ভাষণ দি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে শিক্ষকসকল অকল ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনৰ পথ প্ৰদৰ্শক নহয়, বৰং এখন সুস্থ, শিক্ষিত, শৃংখলাবদ্ধ আৰু মূল্যবোধ সম্পন্ন সমাজ গঢ়ি তোলাৰ অন্যতম চালিকা শক্তি। শিক্ষাৰ্থীসকলৰ জ্ঞান, চৰিত্ৰ, নেতৃত্ব গুণ, দায়িত্ববোধ আৰু সামাজিক দয়বদ্ধতা বিকশিত কৰাৰ শিক্ষকসকলৰ ভূমিকা অতুলনীয় বুলি তেওঁ উল্লেখ কৰে। একবিংশ শতিকাৰ শিক্ষাৰ প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি আধুনিক প্ৰযুক্তি আৰু নৱতম শিক্ষণ পদ্ধতি গ্ৰহণ কৰি শিক্ষাদানৰ মান অধিক উন্নত কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে শিক্ষকসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে শিক্ষা ব্যৱস্থা অধিক উদ্ভাৱনমুখী, দক্ষতাভিত্তিক আৰু শিক্ষাৰ্থীকেন্দ্ৰীক কৰি তোলাত শিক্ষক সমাজে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব।

০০০০০০০

ছশ বছৰীয়া আহোম ৰাজত্বৰ ইতিহাসৰ স্বাক্ষৰ বহন কৰা একালৰ ৰংপুৰ আৰু বৰ্তমানৰ শিৱসাগৰক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ দিশত কেন্দ্ৰীয় চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয়, যে ৰংপুৰ-শিৱসাগৰক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ মৰ্যাদা দিয়াৰ বাবে যোৱা ১৯ জুনত ভাৰত চৰকাৰৰ তৰফৰ পৰা ইউনেস্ক'ত আনুষ্ঠানিকভাৱে মনোনয়ন দাখিল কৰা হয়। ৰংঘৰ, কাৰেংঘৰ, দৌল, পুখুৰী আৰু আহোমসকলৰ অনন্য স্থাপত্য কাৰুকৌশলৰ অমূল্য নিদৰ্শনেৰে সমৃদ্ধ এই ভূমি কেৱল অসমৰে নহয়, বৰঞ্চ সমগ্ৰ ভাৰতবৰ্ষৰ গৌৰৱ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০২৪ চনত চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভৰ পাছত ৰংপুৰ-শিৱসাগৰক লৈ গ্ৰহণ কৰা এই পদক্ষেপে আহোমৰ গৌৰৱগাঁথাক বিশ্বৰ সন্মুখত উজ্বলাই তুলিব। ডঃ শৰ্মাই অসমৰ ঐতিহ্যক বিশ্বৰ বুকুত সগৌৰৱে প্ৰতিষ্ঠা কৰাৰ এই ঐতিহাসিক প্ৰচেষ্টাৰ বাবে অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়।

০০০০০০০

**সমাপ্ত**